# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 6-08-2024
**Time :** 0900 Hrs

## ***Assamese Morning Bulletin***

***::::::::::::::::::::::::::::::::::::::::::***

## Headlines

১। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ পদত্যাগৰ পাছত দেশখনত অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা হ'ব বুলি ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনৰ ঘোষণা।

২। বাংলাদেশলৈ সকলো বিমান, ৰে'ল তথা বাছসেৱা বাতিল কেন্দ্ৰীয় চৰকাৰৰ। ভাৰতীয় নাগৰিকক দেশখন ভ্ৰমণ নকৰিবলৈ আহ্বান।

৩। মুষলধাৰ বৰষুণত গুৱাহাটী মহানগৰীৰ জনজীৱন স্তব্ধ। নিশা পৰ্যন্ত বিভিন্ন স্থানত আবদ্ধ জনসাধাৰণ। আজি কামৰূপ মহানগৰ প্ৰশাসনৰ সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা।

৪। আকাশবাণীৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীৰ আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰ ভ্ৰমণ।

*আৰু*

৫। ভাৰতৰ অবিনাশ ছাবলেৰ অলিম্পিকৰ পুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টিপলচেজৰ ফাইনেলত প্ৰৱেশ। মহিলাৰ টেবুল টেনিছৰ দলীয় ইভেণ্টত ভাৰতৰ মণিকা বাট্ৰা, শ্ৰীজা আকুলা আৰু অৰ্চনা কামাথৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ অগ্ৰগতি।

০০০০০০০

মুক্তিযোদ্ধাৰ পৰিয়ালৰ বাবে বিশেষ সংৰক্ষণক কেন্দ্ৰ কৰি বাংলাদেশত উদ্ভৱ হোৱা হিংসাত্মক বিক্ষোভৰ পাছত সংসদ ভংগ হোৱাৰ পৰিপ্ৰেক্ষিতত দেশখনত তৎকালীনভাৱে এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন হ'ব। দেশখনৰ ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনে কালি সেনা বাহিনীৰ তিনিওটা শাখাৰ মুৰব্বীসকলৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ নেতা আৰু নাগৰিক সমাজৰ প্ৰতিনিধিৰ সৈতে ঢাকাৰ বংগ ভৱনত হোৱা বৈঠকৰ পাছত এই ঘোষণা কৰে। সেনা বাহিনীয়ে বাংলাদেশৰ সাম্প্ৰতিক অৰাজক পৰিস্থিতি স্বাভাৱিক কৰাৰ ব্যৱস্থা কৰিব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। এই বৈঠকতে বিভিন্ন গোচৰত দোষী সাব্যস্ত হৈ গৃহবন্দী হৈ থকা বি এন বিৰ অধ্যক্ষ তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়াক মুকলি কৰি দিয়াৰ সিদ্ধান্ত লোৱা হয়। তদুপৰি সাম্প্ৰতিক বিক্ষোভত গ্ৰেপ্তাৰ হোৱা সকলো ছাত্ৰ-ছাত্ৰীকে মুকলি কৰি দিয়াৰ বাবেও ৰাষ্ট্ৰপতি ছাহাবুদ্দিনে নিৰ্দেশ দিয়ে।

প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই কালি পদত্যাগ কৰি বিশেষ বিমানেৰে ঢাকাৰ পৰা দিল্লীত উপস্থিত হয়। ইয়াৰ পাছতে সেনাবাহিনীয়ে তাৎক্ষণিকভাৱে ক্ষমতা নিজৰ হাতলৈ নিয়ে। হাছিনাৰ দেশ ত্যাগৰ পাছতে সেনা প্ৰধান ৱাকাৰ উজ জামানে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিয়ে আৰু এই ভাষণত এখন তদৰ্থ চৰকাৰ গঠনৰ ঘোষণা কৰে। তেওঁ লগতে আন্দোলনৰত ছাত্ৰ-ছাত্ৰীসকলক শান্ত হ'বলৈ আহ্বান জনায়।

ইপিনে বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেশখনৰে সংলগ্ন সীমান্ত অঞ্চলত ভাৰত চৰকাৰে নিৰাপত্তা বৃদ্ধি কৰিছে। ভাৰত বাংলাদেশ সীমান্তত ইতিমধ্যে হাই এলাৰ্ট জাৰি কৰা হৈছে। অসমকে ধৰি বাংলাদেশৰ সৈতে সীমা সংলগ্ন থকা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ সীমান্ত অঞ্চলত বি এছ এফে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। সাম্প্ৰতিক পৰিস্থিতিত প্ৰতিবেশী দেশখন ভ্ৰমণ নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নাগৰিকসকলক আহ্বান জনাইছে। আনহাতে বাংলাদেশত বসবাস কৰা ভাৰতীয়সকলক ঘৰতে থাকিবলৈ পৰামৰ্শ দি ঢাকাত থকা ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। ভাৰত চৰকাৰে বাংলাদেশৰ সৈতে সাময়িকভাৱে বিমান, ৰে'ল আৰু বাছ সেৱা বাতিল কৰিছে। পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে দেশখনৰ সৈতে কোনো ধৰণৰ যাতায়াত সম্ভৱ নহয় বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। একেদৰে নদী সীমান্তৰ সুৰক্ষা ব্যৱস্থাতো গুৰুত্ব দি ফেৰী আৰু নাৱৰ চলাচল বন্ধ কৰি দিয়া হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি নতুন দিল্লীত অনুষ্ঠিত সুৰক্ষা বিষয়ক কেবিনেট কমিটী বৈঠকত বাংলাদেশৰ পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰ, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু কেবিনেটৰ অন্যান্য সদস্যসকলে অংশগ্ৰহণ কৰে।

0000000

গুৱাহাটীত কালি বিয়লি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত মহানগৰীখনত অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰায় দুঘণ্টাৰ বৰষুণত মহানগৰীৰ জনজীৱন প্ৰায় স্তব্ধ হৈ পৰে। বিভিন্ন অঞ্চল একাঁঠুৰ পৰা এবুকু পৰ্যন্ত বানত বুৰ যোৱাত জনসাধাৰণৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। মূল পথৰ উপৰি অধিকাংশ উপপথ, দোকান-পোহাৰ, বিভিন্ন চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, আবাসগৃহ পানীত বুৰ যায়। যাৰবাবে মহানগৰীৰ অধিকাংশ স্থানত তীব্ৰ যানজঁটৰ সৃষ্টি হয়। নিশা বহু দেৰিলৈকে বিভিন্ন স্থানত আবদ্ধ হৈ থাকিব লগীয়া হয় জনসাধাৰণ। বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থী, শিক্ষক, বিভিন্ন অফিচ-কাছাৰী, ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰী, পথিক ঘণ্টাৰ পাছত ঘণ্টা আবদ্ধ হৈ থাকিবলগীয়া হয়। কালি বৰষুণৰ ফলত মহানগৰীৰ ন ন অঞ্চলো প্লাৱিত হৈ পৰে। আজি পুৱা পৰ্যন্ত বিভিন্ন স্থানত পানীত আবদ্ধ হৈ থকাত জনসাধাৰণ আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে। হঠাতে হোৱা বানৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী পৌৰ নিগমৰ অধীনস্থ এলেকাসমূহত আজি মহাবিদ্যালয় আৰু ক'চিং চেণ্টাৰসমূহকে ধৰি সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ থাকিব বুলি ঘোষণা কৰা হৈছে।

0000000

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যত অহা পাঁচদিনলৈ ধাৰাসাৰ বৰষুণ অব্যাহত থাকিব বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা তথ্য অনুসৰি এই সময়ছোৱাত অসমৰ বিভিন্ন স্থানত বিজুলী-ঢেৰেকণিৰ লগতে ধাৰাসাৰ বৰষুণো অহাৰ সম্ভাৱনা আছে। তেনেক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাসিন্দাসকলৰ উপৰি পৰ্যটক আৰু অন্যান্য ক্ষেত্ৰৰ লোকক সতৰ্কতা অৱলম্বন কৰাৰ পৰামৰ্শ দিয়া হৈছে।

0000000

অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম কৃষক পৰিষদ, অসম ছাত্ৰ পৰিষদ আৰু অসম মহিলা পৰিষদৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি অগপৰ আমবাৰীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'ব। সভাত অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তইও অংশগ্ৰহণ কৰিব।

০০০০০০০

আকাশবাণীৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰ ভ্ৰমণ কৰিব। শ্ৰী চক্ৰৱৰ্তীয়ে বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ নতুনকৈ নিৰ্মাণ কৰা কক্ষটো উদ্বোধন কৰিব। বিষয়াগৰাকী বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰ আৰু প্ৰচাৰ ভাৰতীৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। উল্লেখযোগ্য যে আকাশবাণীৰ সঞ্চালক প্ৰধান হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰী চক্ৰৱৰ্তীৰ এয়া হ'ব প্ৰথম অসম ভ্ৰমণ।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, ভাৰত ৰত্ন গোপীনাথ বৰদলৈয়ে এখন আধুনিক অসম নিৰ্মাণৰ বাবে কাম কৰিছিল। তেওঁ স্বাধীনতা আন্দোলন আৰু ইয়াৰ সমান্তৰালভাৱে গ্ৰুপিঙৰ পৰা অসমক ৰক্ষা কৰাত অসামান্য ভূমিকা গ্ৰহণ কৰিছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৪ সংখ্যক মৃত্যু দিৱস উপলক্ষে শংকৰদেৱ কলাক্ষেত্ৰত কালি আয়োজিত লোক কল্যাণ দিৱসত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে, এখন চৰকাৰে যেতিয়া শাসন কৰাৰ পৰিৱৰ্তে জনসাধাৰণক সহায় কৰাৰ ভূমিকাত অৱতীৰ্ণ হয়, তেতিয়াই সমাজৰ পৰিৱৰ্তন হয়। এই অনুষ্ঠানতে ১০ গৰাকী ৰাজ্যিক পৰ্যায়ৰ আৰু ৩৭ গৰাকী জিলা পৰ্যায়ৰ অৰাজপত্ৰিত কৰ্মচাৰীক লোকসেৱা পুৰস্কাৰ প্ৰদান কৰা হয়। আনহাতে বিভিন্ন ক্ষেত্ৰত দেখুওৱা উৎকৃষ্ট সেৱাৰ বাবে ছটা বিষয়ৰ দলক কৰ্মশ্ৰী বঁটা প্ৰদান কৰা হয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বিগত সময়ত ৰাজ্য চৰকাৰে কৰি অহা বিভিন্ন কামকাজৰো ক্ষতিয়ান দিয়ে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানত কালি দিছপুৰৰ জনতাভৱনত বিজেপিৰ বিধায়িনী দলৰ এখন বৈঠক অনুষ্ঠিত হয়। বিজেপিৰ শীৰ্ষ নেতৃবৰ্গৰ সৈতে হোৱা বৈঠকখনত মুখ্যমন্ত্ৰীয়ে বিৰোধীক প্ৰত্যাহ্বান জনোৱা আৰু জনসমৰ্থন বৃদ্ধি কৰাৰ বাবে কিছু নিৰ্দেশনা জাৰি কৰে। তেওঁ সকলো বিধায়কক ঐক্যবদ্ধভাৱে ৰাজ্যৰ বিভিন্ন উন্নয়নমূলক কাম সুচাৰুৰূপে ৰূপায়ণ হোৱাত দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। তদুপৰি পাঁচটা সমষ্টিৰ হ'বলগীয়া উপ-নিৰ্বাচনৰ লগতে পঞ্চায়ত নিৰ্বাচন, বি টি আৰৰ নিৰ্বাচন, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনি সন্দৰ্ভত কালি বৈঠকখনত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী শৰ্মাই অসম গণ পৰিষদ আৰু ইউ পি পি এলৰ দখলত থকা বিধানসভা সমষ্টিত বিজেপিৰ সাংগঠনিক শক্তি বৃদ্ধিৰ বাবে বিধায়কসকলক কাম কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি বিধায়কে দলৰ ক্ষতি হোৱাৰ সম্ভাৱনা থকা মন্তব্য সংবাদ মাধ্যমত প্ৰকাশ কৰিলে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত টিকট কটা যাব বুলি একপ্ৰকাৰ সকীয়াই দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে আটাইকেইজন সাংসদক অসমৰ সমস্যাসমূহ সংসদত উত্থাপনত মনোনিৱেশ কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যত কালিৰেপৰা ১১ আগষ্টলৈ শিক্ষা সপ্তাহৰ আয়োজন কৰা হৈছে। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে প্ৰতিদিনে একোটা বিশেষ

বিষয়বস্তুৰ আধাৰত এই কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে বিদ্যালয়সমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি কালিৰ দিনটো শিক্ষণ-শিকন সামগ্ৰীৰ দিন, আজি এফ এল এন দিন, কাইলৈ ক্ৰীড়া দিন, পৰহিলৈ সাংস্কৃতিক দিন, ৯ আগষ্টত দক্ষতা আৰু ডিজিটেল পদক্ষেপ দিন, ১০ আগষ্টত বিদ্যালয় পৰিপুষ্টি দিন আৰু ১১ আগষ্টৰ দিনটো সম্প্ৰদায় জড়িতকৰণ দিন হিচাপে পালন কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ জৰিয়তে শিক্ষাক্ষেত্ৰলৈ অহা পৰিবৰ্তন তথা সাফল্যসমূহক এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিফলিত কৰিব বিচৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে।

০০০০০০০

ভাৰতৰ অবিনাশ ছাবলেই পুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টিপলচেজৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰ সুবাদত খেলুৱৈগৰাকীয়ে এই কৃতিত্ব অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় পুৰুষ হিচাপে ইতিহাস সৃষ্টি কৰিছে। ছাবলেই যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত ৮ মিনিট আৰু ১৫ দশমিক ৪-৩ ছেকেণ্ডেৰে পঞ্চম স্থান লাভ কৰি ফাইনেললৈ যোগ্যতা অৰ্জন কৰে। এই ফাইনেল খেলখন অহা ৮ আগষ্টত খেলোৱা হ'ব।

ইপিনে, মহিলাৰ টেবুল টেনিছৰ দলীয় ইভেণ্টত কালি ভাৰতৰ মণিকা বাট্ৰা, শ্ৰীজা আকুলা আৰু অৰ্চনা কামাথে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ৰোমানিয়াৰ মহিলা দলক ৩-২ত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

অৱশ্যে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত ব্ৰঞ্জৰ পদকৰ বাবে হোৱা খেলত ভাৰতৰ লক্ষ্য সেন মালয়েছিয়াৰ লি জি জিয়াৰ বিৰুদ্ধে ২১-১৩, ১৬-২১, ১০-২১ গেমত পৰাজিত হয়।

একেদৰে মহিলাৰ মল্লযুদ্ধৰ ৬৮ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰিষ্টাইল শিতানৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ নিশা দাহিয়া উত্তৰ কোৰিয়াৰ পাক ছল গামৰ বিৰুদ্ধে পৰাজিত হয়। ইপিনে শুটিঙত স্কিট মিক্সড টীম শাখাত ভাৰতৰ মহেশ্বৰী চৌহান আৰু অনন্তজিৎ সিং নাৰুকাও ব্যৰ্থ হয়। ভাৰতীয় যুটীটো ব্ৰঞ্জৰ পদকৰ বাবে অনুষ্ঠিত খেলত চীনৰ বিৰুদ্ধে পৰাজিত হয়।

অলিম্পিকত আজি ভাৰতীয় খেলুৱৈসকলে হকী, এথলেটিকছ, টেবুল টেনিছ আৰু মল্লযুদ্ধৰ বিভিন্ন শিতানত প্ৰতিদ্বন্দ্বিতা কৰিব।

পুৰুষৰ হকীৰ ছেমি ফাইনেলত ভাৰত আজি জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ১০ বজাত আৰম্ভ হ'ব। টকিঅ'ত অনুষ্ঠিত অলিম্পিকৰ হকীত ব্ৰঞ্জৰ পদক অৰ্জন কৰা ভাৰতীয় পুৰুষ দলটোৱে আজিৰ খেলখনত জয়লাভেৰে ফাইনেলত স্থান নিশ্চিত কৰিবলৈ আপ্ৰাণ চেষ্টা চলাব।

ইপিনে যোৱাবাৰৰ চেম্পিয়ন নীৰজ চোপ্ৰাই আজি পুৰুষৰ জেভলিন থ্ৰ'ত নিজৰ অভিযান আৰম্ভ কৰিব। খেলুৱৈগৰাকীয়ে ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বাজি ৩০ মিনিটত গ্ৰুপ-বিত যোগ্যতা নিৰ্ণয়কাৰী

ৰাউণ্ডত অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে ভাৰতীয় সময় অনুসৰি ১ বাজি ৫০ মিনিটত একেটা ইভেণ্টতে এছিয়ান গেমছত ৰূপক পদক লাভ কৰা কিশোৰ কুমাৰ জেনাই ফাইনেলত স্থান নিশ্চিত কৰিবৰ বাবে গ্ৰূপ-এত যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত অৱতীৰ্ণ হ'ব।

ইপিনে ভাৰতৰ কিৰণ পাহালেই ভাৰতীয় সময় অনুসৰি আজি দিনৰ আঢ়ৈ বজাত মহিলাৰ ৪০০ মিটাৰ দৌৰৰ ৰেপচেজ ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা কৰিব।

মল্লযুদ্ধত ভাৰতৰ ৱিনেশ ফোগাটে মহিলাৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অংশগ্ৰহণেৰে চলিত অলিম্পিকত নিজৰ অভিযান আৰম্ভ কৰিব। খেলুৱৈগৰাকী ভাৰতীয় সময় অনুসৰি দিনৰ ৩ বজাত জাপানৰ ছুছাকী য়ুইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে টেবুল টেনিছত হৰমিত দেশাই, মানৱ থক্কৰ আৰু অশান্ত শৰৎ কমলেৰে গঠিত ভাৰতৰ পুৰুষ দলটো দিনৰ ডেৰ বজাত দলীয় শিতানত চীনৰ মুখামুখি হ'ব।

0000000

## Newspaper Review (6-8-2024 Morn.)

বাংলাদেশত অব্যাহত থকা হিংসাত্মক পৰিস্থিতিৰ মাজতে গণৰোষত পৰি প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰি ভাৰতলৈ পলায়ন কৰা বাতৰিটো নিয়মীয়া বাৰ্তা, অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন, দৈনিক অসম, অসমীয়া খবৰকে আদি কৰি প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তাৰ শিৰোনাম **হাছিনাৰ পদত্যাগ ঃ দিল্লীলৈ পলায়ন**। অসমীয়া খবৰ কাকতৰ শিৰোনাম **ৰক্তাক্ত বাংলাদেশ, প্ৰধানমন্ত্ৰীৰ পলায়ন**।

কালি বিয়লি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰী বানত বুৰ যোৱা বাতৰিটো দ্যা চেণ্টিনেল, আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দ্যা চেণ্টিনেলৰ শিৰোনামৰ **Guwahati Comes to a Standstill**।

ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৪ সংখ্যক পূণ্য তিথিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালি লোক কল্যাণ দিৱস অনুষ্ঠিত হোৱা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **৪৭ কৰ্মচাৰীক লোকসেৱা, ৰাজপত্ৰিত বিষয়াৰ ছটা দলক কৰ্মশ্ৰী বঁটা প্ৰদান** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এলেকাত পাঁচখনকৈ বিলাসী হোটেল নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে গোচৰ ৰুজু কৰা বাতৰিটো দৈনিক জনমভূমি কাকতে **কাজিৰঙাত বিলাসী হোটেল নিৰ্মাণৰ বিৰুদ্ধে সেউজ ন্যায়াধিকৰণৰ গোচৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – কৃত্ৰিম বানত ডুবিল ডিব্ৰুগড়, লাভ জেহাদৰ বিৰুদ্ধে আইন প্ৰণয়নৰ প্ৰক্ৰিয়া আৰম্ভ, বাংলাদেশক লৈ কেবিনেট সমিতিৰ বৈঠক মোদীৰ, বাংলাদেশত সংখ্যালঘূৰ আতংক - সীমান্তত সতৰ্ক বি এছ্ এফ, মাটিৰ ক্ৰয়-বিক্ৰয়ত অনুমোদন ল'ব লাগিব মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

সমাপ্ত